NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 07-11-2026 **Time :** 1340 Hrs.

Assamese Midday Bulletin

HEADLINES

oooooooo

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫১ বছৰ পূৰ্তি উপলক্ষে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে।

২। উচ্চতম ন্যায়ালয়ে বাধ্যতামূলক অৱসৰ কোনোধৰণৰ শাস্তিমূলক ব্যৱস্থা নহয় আৰু ইয়াৰ পৰা কোনো কৰ্মচাৰীৰ বিৰুদ্ধে অসৎ আচৰণৰ অভিযোগ প্ৰতিপন্ন নহয় বুলি ৰায় দিছে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰত-চীন সীমান্তত নিয়োজিত সেনা জোৱানসকলৰ সৈতে দীপাৱলী উদযাপন কৰিবলৈ কাইলৈ ছিকিম ভ্ৰমণ কৰিব।

৪। অসমৰ টেঙাখাটৰ অইল ইণ্ডিয়া লিমিটেডৰ আই টি এফত কালি সংঘটিত অগ্নিকাণ্ডত মৃত্যু হোৱা লোকৰ সংখ্যা ৩ লৈ বৃদ্ধি পাইছে।

আৰু

৫। ৱেলিংটনত অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ঘৰুৱা দল নিউজিলেণ্ডে ভাৰতক জয়ৰ বাবে ১৩৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি ৰাষ্ট্ৰীয় গীত বন্দে মাতৰম সংৰচনাৰ ১৫১ বছৰ পূৰ্তি উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৰে কয়, যে স্বাধীনতা আন্দোলনৰ সময়ত বন্দে মাতৰমে জনসাধাৰণৰ মনত সাহস, একতা আৰু দেশপ্ৰেমৰ ভাৰ জগাই তোলাত অৰিহণা আগবঢ়াইছিল। ৰাষ্ট্ৰপতিয়ে লগতে কয়, যে আজিৰ দিনতো বন্দে মাতৰম ৰাষ্ট্ৰীয় পৰিচয়, আত্মসন্মান আৰু মাতৃভূমিৰ প্ৰতি ভালপোৱাৰ প্ৰতীক হিচাপে চিহ্নিত হৈ আহিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে বন্দে মাতৰমত প্ৰতিফলিত হোৱা ৰাষ্ট্ৰ প্ৰথম ভাৱনাৰে জনসাধাৰণক উদ্বুদ্ধ হোৱাৰ লগতে ইয়াৰ মাজত নিহিত থকা আদৰ্শৰে ৰাষ্ট্ৰক শক্তিশালী কৰি গঢ়ি তোলাত অৰিহণা যোগাবলৈ আহ্বান জনায়।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাইও আজি ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫১ বছৰ পূৰ্তি উপলক্ষে অভিনন্দন জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী বিৰলাই কয়, যে বন্দে মাতৰম হৈছে ভাৰতৰ ৰাষ্ট্ৰীয় চেতনা, আত্মসন্মান আৰু একতাৰ শক্তিশালী প্ৰতীক। তেওঁ কয়, যে স্বাধীনতা আন্দোলনত জড়িত লোকসকলক দেশপ্ৰেমৰ ভাৱেৰে অনুপ্ৰাণিত কৰি তুলিবলৈ ১৮৭৫ চনত বংকিম চন্দ্ৰ চট্টোপধ্যায়ে যুগজয়ী এই গীতটি ৰচনা কৰিছিল। অধ্যক্ষ শ্ৰী বিৰলাই কয়, যে ১৯০৫ চনৰ স্বদেশী আন্দোলনৰ সময়ত স্বাধীনতা সংগ্ৰামীসকলৰ বাবে বন্দে মাতৰম এটা অনুপ্ৰেৰণামূলক বাণী হৈ পৰাৰ লগতে দেশত বিদেশী শাসকৰ বিৰুদ্ধে এটা জনজাগৰণ গঢ়ি তুলিছিল। শ্ৰী বিৰলাই লগতে কয়, যে ৰাষ্ট্ৰীয় গীতটিৰ প্ৰতিটো শব্দই ত্যাগ, উচৰ্গা আৰু মাতৃভূমিৰ প্ৰতি গৌৰৱক প্ৰতিফলিত কৰে।

oooooooo

উচ্চতম ন্যায়ালয়ে কালি প্রকাশ কৰে যে বাধ্যতামূলক অৱসৰ কোনোধৰণৰ শাস্তিমূলক ব্যৱস্থা আৰু কোনো কর্মচাৰীৰ বিৰুদ্ধে অসৎ আচৰণৰ অভিযোগ নহয়। ন্যায়াধীশ মনমোহন আৰু শ্রীচন্দ্রশেখৰৰ এখন পীঠে ছত্তিশগড় চৰকাৰৰ ১৪ গৰাকী কর্মচাৰীৰ ৫ গৰাকীকে বাধ্যতামূলক অৱসৰ দিয়াৰ সিদ্ধান্ত বাহাল ৰাখি এই ৰায় দিয়ে। উচ্চতম ন্যায়ালয়ে লগতে কয়, যে এজন কর্মচাৰীৰ সামগ্রিক সেৱাৰ প্রদর্শন পর্যালোচনা কৰি ৰাজহুৱা স্বার্থত এনেধৰণৰ সিদ্ধান্ত গ্রহণ কৰা হয়। বিচাৰপীঠখনে লগতে স্পষ্ট কৰি দিয়ে যে কোনো অন্য কর্মচাৰীক একেই প্রদর্শনৰ ভিত্তিত চৰকাৰী চাকৰিত সেৱা বাহাল ৰাখিবলৈ অনুমতি দিয়াটোক কোনো কর্মচাৰীয়ে বাধ্যতামূলক অৱসৰৰ সিদ্ধান্তক প্রত্যাহ্বান জনাব নোৱাৰে।

oooooooo

প্রতিৰক্ষা মন্ত্রী ৰাজনাথ সিঙে ভাৰত-চীন সীমান্তত নিয়োজিত সেনা জোৱানসকলৰ সৈতে দীপাৱলি উদযাপন কৰিবলৈ কাইলৈ ছিকিম ভ্রমণ কৰিব। শ্রী সিঙে ৰাষ্ট্রৰ সেৱাত নিজৰ জীৱন ত্যাগ কৰা সাহসী যোদ্ধাসকলক শ্রদ্ধার্ঘ্য জনাবলৈ ছেৰাথাং যুদ্ধ স্মাৰক ভ্রমণ কৰিব। ইয়াৰ পাছত তেওঁ উক্ত অঞ্চলটোত নিয়োজিত প্রতিৰক্ষা বাহিনীৰ জোৱান সকলৰ সৈতে মত বিনিময় কৰিব।

oooooooo

অসমৰ ডিব্রুগড় জিলাৰ টেঙাখাটৰ অইল ইণ্ডিয়া লিমিটেডৰ আই টি এফত কালি সংঘটিত অগ্নিকাণ্ডত মৃত্যু হোৱা লোকৰ সংখ্যা ৩ লৈ বৃদ্ধি পাইছে। কালি পুৱা অইলৰ ইণ্টাৰমিডিয়েট টেংক ফার্ম চমুকৈ আই টি এফত মেৰামতিৰ কাম চলি থকাৰ সময়তে খাৰুৱা তেল ভর্তি এটা টেংকত অগ্নিসংযোগ ঘটি বিস্ফোৰণ হয়। বিস্ফোৰণৰ ফলত মুহূর্ততে চৌহদটো জুইয়ে আগুৰি ধৰে। টেংক ফার্মৰ স্থায়ী অগ্নিনির্বাপক ব্যৱস্থাৰ লগতে অইলৰ অগ্নিনির্বাপক সেৱা বিভাগকে ধৰি মুঠ ১১ খন অগ্নি নির্বাপক বাহনৰ প্রচেষ্টাত দুপৰীয়ালৈ জুই নিয়ন্ত্রণ কৰা হয়। ঘটনাত মৃত্যু হোৱা এগৰাকী কর্মচাৰী টেঙাখাট বৰদলনি গাঁৱৰ ৰাজু দত্ত বুলি জানিব পৰা গৈছে। আনহাতে, গুৰুতৰভাৱে আহত তাপস গগৈৰ কালি ডিব্রুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। আমালৈ অহা খবৰ অনুসৰি এই দুর্ঘটনাত গুৰুতৰভাৱে আঘাতপ্রাপ্ত ৰূপম গোহাঁই নামৰ আন এজন লোকৰ কিছু সময়ৰ পূর্বে মৃত্যু হৈছে। ইতিমধ্যে অগ্নিকাণ্ডত আহতসকল অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু অইল হাস্পতালত চিকিৎসাধীন হৈ আছে।

এই অগ্নিকাণ্ড সন্দর্ভত কেন্দ্রীয় মন্ত্রী সর্বানন্দ সোণোৱালে গভীৰ উদ্বেগ প্রকাশ কৰিছে। শ্রী সোণোৱালে ঘটনা সন্দর্ভত অইল ইণ্ডিয়া লিমিটেডৰ শীর্ষ বিষয়াৰ সৈতে কথা পাতে আৰু আহতসকলৰ উন্নত চিকিৎসা সুনিশ্চিত কৰিবলৈ আহ্বান জনায়। মন্ত্রী ৰামেশ্বৰ তেলীয়ে চিকিৎসালয়লৈ গৈ এই ঘটনাত আহতসকলৰ স্বাস্থ্যৰ বুজ লয়।

oooooooo

আজি ৰাষ্ট্রীয় কর্কট ৰোগ সজাগতা দিৱস। এই উপলক্ষে কেন্দ্রীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী জগত প্রকাশ নাড্ডাই জনসাধাৰণক কর্কট ৰোগৰ প্রতিৰোধ, লক্ষণসমূহ চিনাক্ত, সময়মতে পৰীক্ষা আৰু চিকিৎসকৰ পৰামর্শ গ্রহণৰ বাবে জনসাধাৰণৰ প্রতি আহ্বান জনাইছে। সামাজিক মাধ্যমৰ এটা বার্তাত শ্রী নাড্ডাই কয়, যে কর্কট ৰোগৰ বিৰুদ্ধে যুঁজিবলৈ সজাগতা আৰু আৰু পৰীক্ষা অতি প্রয়োজনীয়। তেওঁ জনসাধাৰণক মুখ-গহ্বৰ, স্তন, জৰায়ুমুখৰ কর্কট আদিৰ বাবে পৰীক্ষা আৰু চিকিৎসকৰ পৰামর্শ গ্রহণ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে জনসাধাৰণক ধঁপাত সেৱন, মদ্যপান আদিৰ পৰা বিৰত থাকিবলৈ আৰু প্রতিদিনে ব্যায়াম তথা স্বাস্থ্যসম্মত খাদ্যাভ্যাস গঢ়ি তুলিবলৈ পৰামর্শ দিয়ে। কেন্দ্রীয় মন্ত্রীগৰাকীয়ে

জনসাধাৰণক নিজৰ ঘৰৰ সমীপতে থকা আয়ুস্মান আৰোগ্য মন্দিৰত কৰ্কট ৰোগ সম্পৰ্কীয় তথ্যৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে চৌদি আৰবৰ জেড্ডাত অৱস্থিত ভাষমান মছজিদ হিচাপে পৰিচিত ঐতিহাসিক আল ৰামা মছজিদ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে মছজিদটোক আধ্যাত্মিক তাৎপৰ্য, স্থাপত্যৰ সৌন্দৰ্য আৰু চৌদি আৰবৰ চহকী ঐতিহ্যৰ এক উল্লেখযোগ্য প্ৰতীক বুলি অভিহিত কৰে। ষষ্ঠ হজ সন্মিলন প্ৰদৰ্শনী ২০২৭ত অংশগ্ৰহণ আৰু চৌদি আৰবৰ সৈতে দ্বিপাক্ষিক হজ চুক্তি কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ তেওঁ জেড্ডাত উপস্থিত হয়। শ্ৰী ৰিজিজুৱে ২০২৭ বৰ্ষৰ হজ যাত্ৰাত ভাৰতীয় তীৰ্থ যাত্ৰীসকলৰ বাবে নিৰাপদ, মসৃণ আৰু আৰামদায়ক হজ যাত্ৰা সুনিশ্চিত কৰাৰ বাবে প্ৰস্তুতিৰ পৰ্যালোচনা কৰিব। ইয়াৰ পূৰ্বে চৌদি আৰবস্থিত ভাৰতৰ ৰাষ্ট্ৰদূত শ্ৰী বিপুলে চৌদি আৰবৰ জ্যেষ্ঠ বিষয়াসকলক সাক্ষাৎ কৰি হজৰ প্ৰস্তুতি আৰু দুয়োখন দেশৰ মাজত থকা সম্বন্ধ শক্তিশালী কৰি তুলিবলৈ পৰ্যালোচনা কৰে। লাখ লাখ ভাৰতীয় তীৰ্থ যাত্ৰীৰ যাতায়াতৰ বাবে মূল সুবিধা হিচাপে পৰিগণিত জেড্ডাৰ হজ টাৰ্মিনেল আৰু হাৰমাইন হাইস্পীড ৰে'লৱে ষ্টেচনো ৰাষ্ট্ৰদূতগৰাকীয়ে পৰিদৰ্শন কৰে।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে কালি হোৱাইট হাউছত দিপাৱলী উদযাপন কৰে। এই অনুষ্ঠানত ভাৰতীয় আমেৰিকান সম্প্ৰদায়ৰ বহু কেইজন গণ্যমান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে। আমেৰিকাত থকা ভাৰতৰ ৰাষ্ট্ৰদূত বিনয় কুৱাট্ৰাই ৰাষ্ট্ৰপতিৰ এই উদযাপনৰ সময়ত উপস্থিত থাকে। এই উপলক্ষে ভাৰতীয় প্ৰযুক্তি উদ্যোগী বিশাল গণ্ডালে মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্পক হনুমান চালিচাৰ এটা সংখ্যা উপহাৰ দিয়ে।

উল্লেখযোগ্য যে, ২০০৩ চনত দিপাৱলী উদযাপনৰ পৰম্পৰা প্ৰাক্তন ৰাষ্ট্ৰপতি জৰ্জ বুশ্বে আৰম্ভ কৰিছিল। ইয়াৰ পূৰ্বে দিপাৱলী উৎসৱ আইজেনহোৱাৰ কাৰ্যবাহী কাৰ্যালয় ভৱনত ভাৰতীয় আমেৰিকান সম্প্ৰদায়ৰ লোক আৰু ভাৰতীয় কূটনীতিবিদৰ উপস্থিতিত অনুষ্ঠিত হৈছিল। ২০০৯ চনত প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক ওবামাই প্ৰথমবাৰৰ বাবে হোৱাইট হাউছত দিপাৱলীৰ পৰম্পৰা আৰম্ভ কৰে। তেতিয়াৰ পৰাই অভেল অফিচ আৰু ৰুছভেল্ট ৰুমকে ধৰি হোৱাইট হাউছৰ বিভিন্ন স্থানত দিপাৱলী অনুষ্ঠিত কৰি অহা হৈছে।

০০০০০০০

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি অযোধ্যাত দীপোৎসৱ ২০২৬ কাৰ্যসূচীত অংশ লব। এই ভ্ৰমণকালত উপৰাষ্ট্ৰপতিগৰাকীয়ে ৰাম জন্মভূমি মন্দিৰত পুজা-অৰ্চনা কৰিব আৰু অযোধ্যাত প্ৰভূ শ্ৰীৰামচন্দ্ৰৰ প্ৰতিকী ৰাজঅভিষেক কাৰ্যসূচীত ভাগ লব। তেওঁ এই কাৰ্যসূচীত সাধু সন্যাসীসকলক সম্বৰ্ধনা জনাব।

০০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ, চি বি এছ ইয়ে ২০২৭ বৰ্ষৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ সূচী ঘোষণা কৰিছে। অহা বৰ্ষৰ ১৬ ফেব্ৰুৱাৰীৰ পৰা দুয়োটা শ্ৰেণীৰে পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব আৰু দশম শ্ৰেণীৰ পৰীক্ষা ৯ মাৰ্চত সামৰণি পৰাৰ বিপৰীতে দ্বাদশ শ্ৰেণীৰ পৰীক্ষা ৯ এপ্ৰিলত সামৰণি পৰিব।

চি বি এছ্ ই কর্তৃপক্ষই ২০২৬-২৭ শৈক্ষিক বর্ষৰ ব্যৱহাৰিক আৰু অভ্যন্তৰীণ মূল্যায়ন পৰীক্ষাৰ বাবেও সূচী প্ৰকাশ কৰিছে। সেই অনুসৰি দেশ আৰু দেশৰ বাহিৰতো দশম আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ ব্যৱহাৰিক পৰীক্ষা আৰু অভ্যন্তৰীণ মূল্যায়ণৰ পৰীক্ষাসমূহ অহা বছৰৰ পহিলা জানুৱাৰীৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। অৱশ্যে বিশেষ বাধ্য-বাধকতা থকা কেতবোৰ বিদ্যালয়ত এই পৰীক্ষা চলিত বর্ষৰ ৯ নৱেম্বৰৰ পৰা ১৯ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব।

oooooooo

ৱেলিংটনত আজি অনুষ্ঠিত পাঁচখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ঘৰুৱা দল নিউজিলেণ্ডে ভাৰতক বিজয়ৰ বাবে ১৩৫ ৰানৰ লক্ষ্য নির্ধাৰণ কৰি দিছে। নিউজিলেণ্ডে প্ৰথমে বেটধৰাৰ আমন্ত্ৰণ লাভ কৰি ৪১ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৩৪ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ গুৰনুৰ ব্ৰাৰে ৪ টা উইকেট দখল কৰে। নিউজিলেণ্ডৰহৈ ডেৱেল মিটছেলে সর্বাধিক ৫৫ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ভাৰতে বাতৰি যুগুতোৱাৰ পৰলৈকে ১৪ অভাৰত চাৰিটা উইকেট হেৰুৱাই ৪৯ ৰাণ সংগ্ৰহ কৰি খেলি আছিল। শৃংখলাৰ তৃতীয়খন খেল অহা ১০ নবেম্বৰত হেমিল্টনত অনুষ্ঠিত হ'ব।

oooooooo

সমাপ্ত